স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

□ বুধবাৰ □ ৯ মাঘ ১৯৪৫ শক □ ২৪ জানুৱাৰী ২০২৪ চন □ VOL-13 □ NO-317 □ WEDNESDAY 24 JANUARY 2024 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-J1

Estd-1945
Date

## সুপ্ৰভাত

আজিৰ দিনটোতে—

ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস।

১৪৫৮ত মেথিয়াছ কৰ্ভিনাছ হাংগেৰীৰ ৰজা নিৰ্বাচিত।

১৯৫০ত 'জন গণ মন'ক ৰাষ্ট্ৰীয় সংগীত হিচাপে গ্ৰহণ।

১৮৫৭ত কলিকতা বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিক মুকলি।

১৯২২ত বিজ্ঞানী ৰাজেশ্বৰী চেটাৰ্জীৰ জন্ম।

১৯২৪ত ভাৰতীয় কুটনীতিবিদ চি বি মুখাৰ্জীৰ জন্ম।

### 'ৰূপকোঁৱৰে যি সুগন্ধি বিয়পাই থৈ গ'ল, তাক আমি সকলোৱে অনুধাৱন কৰিব লাগিব'

# ডিব্ৰুগড়ত শিল্পী চৈয়দ ছাদুল্লাক সম্বৰ্ধনা সাহিত্য সভাৰ

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৩ জানুৱাৰী ঃ অসমৰ জাতীয় জীৱনৰ মহান মনীষী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু দিৱসটি প্ৰতিবছৰৰ দৰে এইবাৰো ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হয়। নৃত্যাংগন কলা কেন্দ্ৰ, মূৰ্ছনা সংগীত বিদ্যালয় আৰু বাসভৱনৰ সহযোগত অনুষ্ঠিত শিল্পী দিৱসৰ মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াই। তেওঁ কয় যে ৰূপকোঁৱৰে আমাক, সমাজক, জাতীয় জীৱনৰ বাবে যি বৰঙণি আগবঢ়াই থৈ গৈছে, সেয়া তুলনাবিহীন। কলা, কৃষ্টি, সংস্কৃতিত এক উল্লেখনীয় অৱদানে জাতীয় জীৱনৰ পথাৰখন উৰ্বৰ কৰি গৈছে। আজিৰ প্ৰজন্মই সেয়া অনুধাৱন কৰিলে জীৱনক ৰূপান্তৰ কৰাৰ অৱকাশ নিশ্চয় আছে বুলি ড° শইকীয়াই মত প্ৰকাশ কৰে। আনহাতে, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে উদ্দেশ্য ব্যাখ্যা কৰা সম্বৰ্ধনা আৰু শিল্পী দিৱসৰ কাৰ্যসূচীত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকি চিকিৎসক, লেখক, নিবন্ধকাৰ ডাঃ হৃদয়ানন্দ মহন্তই শিল্পী দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে শিল্পী দিৱসৰ দৰে কেৱল দিৱসসমূহ পালন কৰিয়েই আমি সেই মহান ঋষিতুল্যসমূহক আজীৱন আমাৰ হৃদয়ত জীয়াই ৰখা সম্ভৱ নহয়। তেওঁলোকৰ কৰ্মৰাজিৰে অনুপ্ৰাণিত হৈ দেশ-জাতি, সমাজৰ হকে কাম কৰিলেহে সেই মহান বা মহৎ লোকক আমাৰ হৃদয়ৰ মনিকোঠাত স্থান দিবলৈ সক্ষম হ'ম। অনুষ্ঠানত অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ভুবন মোহন গোস্বামী, ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি, জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰা, নৃত্যাংগন কলা কেন্দ্ৰৰ অধ্যক্ষা, নৃত্য গুৰু ৰুবী গগৈ সন্দিকৈ, বাদভৱনৰ সংগীতৰ গুৰু ড° চুমী ফুকন, মূৰ্ছনা সংগীত বিদ্যালয়ৰ অধ্যক্ষ, সংগীত গুৰু ভুবন গগৈ উপস্থিত থাকে। শিল্পী দিৱসৰ কাৰ্যসূচীতে অসমৰ সামাজিক, সাংস্কৃতিক জগতলৈ অনবদ্য বৰঙণিৰে জাতিটোক এক বৰ্ণিল ৰূপত সমৃদ্ধিশালী তথা চিৰযুগমীয়া কৰি তোলা যশস্বী গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, আবৃত্তিকাৰ, গুৰু-গম্ভীৰ আৰু বলিষ্ঠ কণ্ঠৰ জৰিয়তে প্ৰায় চাৰিটা দশক ধৰি অনাতাঁৰ শ্ৰোতাক মোহাচ্ছন্ন কৰিবলৈ সক্ষম হোৱা চৈয়দ ছাদুল্লাক ডিব্ৰুগড় সাহিত্য সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। গামোচা, চেলেং চাদৰ, স্মাৰক, ফুলাম জাপি আৰু প্ৰশস্তি পত্ৰৰ জৰিয়তে সম্বৰ্ধনা জনোৱা হয় বিশিষ্ট শিল্পীগৰাকীক। সম্বৰ্ধনা গ্ৰহণ কৰি তেওঁ কয় - 'হে শিল্পী, তুমি মোৰ প্ৰাণৰো প্ৰাণৰ'। ৰূপকোঁৱৰে আমাৰ জাতীয় জীৱনত যি প্ৰাণ প্ৰতিষ্ঠা কৰি গৈছে, যি সুগন্ধি বিয়পাই থৈ গ'ল, তাক আমি সকলোৱেই অনুধাৱন কৰিব লাগিম। জাতীয় জীৱনৰ ভাষা, কলা, কৃষ্টি, সংস্কৃতিত এক অপূৰ্ব সমাহাৰে টনকিয়াল কৰি গৈছে। কাৰ্যসূচীতে নৃত্যাংগণ কলা কেন্দ্ৰৰ ছাত্ৰীসকলে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কেইবাটাও কালজয়ী গীতৰ নৃত্যৰে সজোৱাৰ লগতে মূৰ্ছনা সংগীত বিদ্যালয় আৰু বাল ভৱনৰ ছাত্ৰ-ছাত্ৰীসকলে জ্যোতি সংগীত আৰু ভুবন গগৈ পৰিচালনাৰে সুৰ সমলয় পৰিৱেশন কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ মহিলা সদস্যাসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে আৰম্ভ কৰা অনুষ্ঠানৰ শেষত জাতীয় সংগীত পৰিৱেশন কৰা হয়। আনহাতে, পুৱা ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা অনুষ্ঠানত সভাপতি, সাহিত্যিক, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অসম শিল্পী কাননৰ সম্পাদক মৃদুপৱন বৰাই, শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠানত মুৰুলী কাকতি, হোমেন দুৱৰা, শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক অভিনৱ দত্ত উপস্থিত থকাৰ লগতে ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰকাশন সচিব, লামডিং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা আৰাধনা দত্ত, ডিব্ৰুগড় সাহিত্য সভাৰ বিত্তীয় সম্পাদক ভুবন বৰুৱা উপস্থিত থাকে।

